সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

নৱম শ্ৰেণীৰ বাবে

প্ৰথম ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ ৮

অন্ধবিশ্বাস আৰু কুসংস্কাৰ

অংশ - ৩
ডঃ প্ৰণীতা শৰ্মা বৰদলৈ

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰশ্নাৱলী

ভাব-বিষয়ক :

১। চমু উত্তৰ দিয়া —

(ক) উৰাৱাতৰি মানে কি?

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰশ্নাৱলী

ভাব-বিষয়ক :

১। চমু উত্তৰ দিয়া —

(ক) উৰাবাতৰি মানে কি?

উত্তৰঃ যিবোৰ বাতৰি সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়, অথচ অজ্ঞতাৰ কাৰণে বা মানুহক উত্তেজিত কৰি তুলিবৰ বাবেই উদ্দেশ্য প্ৰণোদিতভাৱে প্ৰচাৰ কৰা হয় আৰু চিন্তাশূন্য, বিবেকশূন্য কিছুলোকে সেই বাতৰিক সত্য বুলি বিশ্বাসো কৰে সেয়াই উৰাবাতৰি।

(খ) কুসংস্কাৰ বুলিলে কি বুজা?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(খ) কুসংস্কাৰ বুলিলে কি বুজা?

উত্তৰঃ যিবোৰ নীতি-নিয়ম, ব্যৱস্থা, পৰম্পৰা এখন সুস্থ সমাজৰ পৰিপন্থী, সমাজৰ অগ্রগতিত গতিৰোধক হৈ থিয় দিয়ে সেইবোৰেই কুসংস্কাৰ।



(গ) 'অন্ধবিশ্বাস, কুসংস্কাৰ পৃথিৱীৰ আটাইতকৈ গধুৰ বোজা।'- কথাষাৰ কোনে কৈছিল?



(গ) 'অন্ধবিশ্বাস, কুসংস্কাৰ পৃথিৱীৰ আটাইতকৈ গধুৰ বোজা।'- কথাষাৰ কোনে কৈছিল?

উত্তৰঃ অন্ধবিশ্বাস, কুসংস্কাৰ পৃথিৱীৰ আটাইতকৈ গধুৰ বুজা' - কথাষাৰ ডঁ সর্বপল্লী ৰাধাকৃষ্ণণে কৈছিল।

(ঘ) কোনখন সন্ধিৰ পিছত আৰু কেতিয়া অসম বৃটিছৰ অধীনলৈ যায়?



(ঘ) কোনখন সন্ধিৰ পিছত আৰু কেতিয়া অসম বৃটিছৰ অধীনলৈ যায়?

উত্তৰঃ ১৮২৬ খ্ৰীষ্টাব্দৰ ইয়াণ্ডাবু সন্ধিৰ পিছত অসম বৃটিছৰ অধীনলৈ যায়।

(ঙ) অসমলৈ আহি শদিয়াৰ সেমেকা জলবায়ুত মিছনেৰীসকল কেনে ধৰণৰ ৰোগত আক্রান্ত হৈছিল?



(ঙ) অসমলৈ আহি শদিয়াৰ সেমেকা জলবায়ুত মিছনেৰীসকল কেনে ধৰণৰ ৰোগত আক্রান্ত হৈছিল?

উত্তৰঃ অসমলৈ আহি শদিয়াৰ সেমেকা জলবায়ুত মিছনেৰীসকল কলেৰা ৰোগত আক্রান্ত হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। অন্ধবিশ্বাস মানে? অন্ধবিশ্বাসে সমাজত কেনে ধৰণৰ সমস্যাৰ সৃষ্টি কৰিব পাৰে লিখা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

২। অন্ধবিশ্বাস মানে ? অন্ধবিশ্বাসে সমাজত কেনে ধৰণৰ সমস্যাৰ সৃষ্টি কৰিব পাৰে লিখা।

উত্তৰঃ যিবোৰ বিশ্বাস বা ধাৰণা যুক্তিৰ ওপৰত প্রতিষ্ঠিত নহয়, বিজ্ঞানে যিবোৰ বিশ্বাসক, ধাৰণাক, ঘটনাক অসত্য আৰু অমূলক বুলি প্রতিপন্ন কৰিছে সেইবোৰেই অন্ধবিশ্বাস।

অন্ধবিশ্বাসে প্রেম, মমতা, মানৱতা আদি মানৱীয় প্রমূল্যসমূহক আঘাত কৰি সভ্য মানৱ সমাজ এখনক কলুষিত কৰে।

জনজীৱনৰ সুস্থ জীৱন ধাৰণৰ ব্যৱস্থাটোক বিপর্য কৰি সমাজখনক অশান্ত আৰু অস্থিৰ কৰি তোলে। মানুহেই মানুহৰ শত্রু হৈ পৰে। সেয়েহে ডঃ সর্বপল্লী ৰাধাকৃষ্ণণে কৈছিল- "অন্ধবিশ্বাস, কুসংস্কাৰ পৃথিৱীৰ আটাইতকৈ গধুৰ বোজা।"



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৩। কি কি কাৰণত অন্ধবিশ্বাস, কুসংস্কাৰৰ দ্বাৰা জনসাধাৰণ প্ৰভাৱিত হয়?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। কি কি কাৰণত অন্ধবিশ্বাস, কুসংস্কাৰৰ দ্বাৰা জনসাধাৰণ প্ৰভাৱিত হয়?

উত্তৰঃ অন্ধবিশ্বাস, কুসংস্কাৰ দ্বাৰা জনসাধাৰণ প্ৰভাৱিত হোৱাৰ কাৰণসমূহ হ'ল -

১) জ্ঞানৰ অভাৱৰ বাবেই মানুহ কুসংস্কাৰ, অন্ধবিশ্বাসৰ দ্বাৰা প্ৰভাৱিত হয়।

২) মানুহৰ নেতিবাচক দৃষ্টিভংগীৰ বাবে আৰু ভোগসর্বস্ব, অধ্যয়নবিমুখ চৰিত্ৰৰ বাবেও অন্ধবিশ্বাস, কুসংস্কাৰ আদিৰ দ্বাৰা প্ৰভাৱিত হয়।

৩) নেতৃত্বস্থানীয় লোকে স্বার্থ সিদ্ধিৰ বাবে সমাজৰ ক্ষতিকাৰক কাম কৰিবলৈও কুণ্ঠাবোধ নকৰাৰ ফলতো এচাম লোকে বিভিন্ন অন্ধবিশ্বাস, কুসংস্কাৰ দ্বাৰা প্রভাৱিত হৈ আহিছে।

৪) ভ্রমণে মনৰ পৰিধি বহল কৰে। ভিতৰুৱা যোগাযোগ ব্যৱস্থাৰ সুবিধা নথকা অঞ্চলৰ বহু লোকে মনৰ ভাৱ বাহিৰৰ অঞ্চলৰ লোকৰ সৈতে বিনিময় কৰাৰ সুবিধা নাপায়। বিনিময় নহলে, মনৰ দিগন্ত প্রসাৰিত হব নোৱাৰে । জনসাধাৰণৰ অন্ধবিশ্বাসী হোৱাৰ, কু-সংস্কাৰ সাৱটি থকাৰ ইও এটা কাৰণ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫) সহজতে সকলো পোৱাৰ মনোবৃত্তিৰ বাবেও মানুহ অন্ধবিশ্বাসী হয়। কষ্ট নকৰাকৈ কম আয়াসতে মানুহক সকলো লাগে।

৬) বিজ্ঞান সম্মত মানসিকতাৰ অভাৱৰ বাবেও মানুহ অন্ধবিশ্বাস, কুসংস্কাৰ আদিৰ দ্বাৰা প্ৰভাৱিত হয়।



৪। অন্ধবিশ্বাস, কুসংস্কাৰ আদি নিয়ন্ত্রণ কৰিবলৈ কেনে ধৰণৰ আঁচনি গ্ৰহণ কৰিব পাৰি?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। অন্ধবিশ্বাস, কুসংস্কাৰ আদি নিয়ন্ত্রণ কৰিবলৈ কেনে ধৰণৰ আঁচনি গ্রহণ কৰিব পাৰি?

উত্তৰঃ অন্ধবিশ্বাস আৰু কুসংস্কাৰ আঁতৰ কৰাৰ ক্ষেত্রত সজাগতা হ'ল এটা শক্তিশালী আহিলা। অন্ধবিশ্বাস, কুসংস্কাৰে যে সমাজ এখনক পংগু কৰে, একৈশ শতিকাৰ সমাজ এখনক যে আকৌ আদিম স্তৰলৈ লৈ যায় সেইটো বুজি পাব লাগিব। সেয়েহে বিদ্যালয়ৰ পাঠ্যক্রমত এই বিষয়টি অন্তর্ভুক্ত কৰিব লাগিব যাতে ছাত্র- ছাত্রীয়ে অন্ধবিশ্বাস,

কুসংস্কাৰৰ ভয়াবহতা সৰুৰে পৰা বুজি পায়। বিদ্যালয় আৰু মহাবিদ্যালয় পর্যায়ত ৰচনা প্রতিযোগিতা বা তেনে ধৰণৰ অন্যান্য প্রতিযোগিতাৰে ছাত্র ছাত্রীক জড়িত কৰিও সজাগতা আনিব পৰা যায়।

তথ্যচিত্র বা তেনেধৰণৰ প্রচাৰ মাধ্যমৰ জৰিয়তে জনসাধাৰণৰ মাজত সজাগতা অনাটো খুব জৰুৰী। জনসাধাৰণৰ মনৰ পৰা অন্ধবিশ্বাস, কুসংস্কাৰ আদি নির্মূল কৰাৰ বাবে বৈজ্ঞানিক মানসিকতা গঢ় লৈ উঠাটো অত্যন্ত প্রয়োজন।

৫। ডাইনী', 'সোপাধৰা'- এইবোৰ অন্ধবিশ্বাস। অন্ধবিশ্বাস বুলি জানিও কিছু লোকে এই বিষয় দুটাক লৈ উৰাবাতৰি প্রচাৰ কৰে আৰু বহু লোকে বিশ্বাস কৰিও লয়। ইয়াৰ কাৰণ কি কি বুলি ভাবা?



समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৫। ডাইনী', 'সোপাধৰা'- এইবোৰ অন্ধবিশ্বাস। অন্ধবিশ্বাস বুলি জানিও কিছু লোকে এই বিষয় দুটাক লৈ উৰাবাতৰি প্ৰচাৰ কৰে আৰু বহু লোকে বিশ্বাস কৰিও লয়। ইয়াৰ কাৰণ কি কি বুলি ভাবা?

উত্তৰঃ 'ডাইনী', 'সোপাধৰা' - এইবোৰ অন্ধবিশ্বাস বুলি জানিও কিছুলোকে এই বিষয় দুটাক লৈ উৰাবাতৰি প্ৰচাৰ কৰে আৰু বহুলোকে বিশ্বাস কৰিও লয় - ইয়াৰ কাৰণ হ'ল - কিছু অসৎ প্ৰবৃত্তিৰ লোকৰ ন্যস্তস্বার্থ সিদ্ধি কৰা।

তেওঁলোকে ইমাণ চতুৰালিৰে অন্ধবিশ্বাসবোৰ প্ৰচাৰ কৰে যে অশিক্ষিত মানুহৰ কথা বাদেই শিক্ষিত সমাজেও সেইবোৰ বিশ্বাস কৰি লয়। তাৰ দ্বাৰা সেই অসৎ প্ৰবৃত্তিৰ লোকজনৰ কিবা এটা স্বাৰ্থ সিদ্ধি হয়। কিছুমান দুষ্ট প্ৰকৃতিৰ লোকে সমাজক ভীতিগ্ৰস্ত আৰু অস্থিৰ কৰি তুলিবলৈও উৰাবাতৰি প্ৰচাৰ কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৬। তোমালোকৰ অঞ্চলত প্ৰচলিত অন্ধবিশ্বাস, কুসংস্কাৰ আদি তোমাৰ চকুত পৰিছে নেকি? সেইবোৰ নিৰাময়ৰ বাবে তোমাৰ ফালৰ পৰা কি কি ব্যৱস্থা ল'বা-এই বিষয়ে এটি টোকা প্ৰস্তুত কৰা।



৬। তোমালোকৰ অঞ্চলত প্ৰচলিত অন্ধবিশ্বাস, কুসংস্কাৰ আদি তোমাৰ চকুত পৰিছে নেকি? সেইবোৰ নিৰাময়ৰ বাবে তোমাৰ ফালৰ পৰা কি কি ব্যৱস্থা ল'বা-এই বিষয়ে এটি টোকা প্ৰস্তুত কৰা।

উত্তৰঃ বৰ্তমান এই একৈশ শতিকাৰ অত্যাধুনিক সমাজখনতো অন্ধবিশ্বাস, কুসংস্কাৰ আদিৰ প্ৰচলন দেখা পোৱা যায়, যি আমাৰ সমাজখনক পশ্চাদপদ কৰি ৰাখে।

দেখা গৈছে যে 'ডাইনী' বুলি উৰাবাতৰি প্ৰচাৰৰ ফলস্বৰূপে যি বৰ্বৰ ঘটনা সংঘটিত হয়, সেই অমানৱীয় ঘটনাত শতকৰা নব্বে ভাগৰো অধিক ক্ষেত্ৰত মহিলাসকলেই আক্ৰান্ত হয়। 'সোপাধৰা' বুলি উৰাবাতৰি প্ৰচাৰৰ ফলস্বৰূপে অচিনাকি আৰু প্ৰায় ক্ষেত্ৰতে বিশেষভাৱে সক্ষম লোকেই আক্ৰান্ত হোৱা দেখা গৈছে। সেয়েহে এনেবোৰ অন্ধবিশ্বাস, কুসংস্কাৰ আমাৰ মাজৰ পৰা আঁতৰাবলৈ হ'লে সমাজত, ছাত্ৰ ছাত্ৰীৰ মাজত সজাগতা বৃদ্ধি কৰিব লাগিব।

মানুহৰ মনবোৰ যাতে সকলো কথা বৈজ্ঞানিক দৃষ্টিভংগীৰে বিবেচনা কৰিব পাৰে তাৰ বাবে উপযুক্তভাৱে শিক্ষিত কৰি তুলিব লাগিব। অন্যান্য সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক সমস্যাসমূহ সমাধানৰ লগতে জনসাধাৰণৰ মাজত সামাজিক মনস্তাত্ত্বিক জাগৰণৰো সৃষ্টি কৰা উচিত।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। ব্যাখ্যা কৰা —

(ক) অন্ধবিশ্বাস, কুসংস্কাৰ পৃথিৱীৰ আটাইতকৈ গধুৰ বোজা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। ব্যাখ্যা কৰা —

(ক) অন্ধবিশ্বাস, কুসংস্কাৰ পৃথিৱীৰ আটাইতকৈ গধুৰ বোজা।

উত্তৰঃ উক্ত বাক্যশাৰী আমাৰ পাঠ্যপুথিৰ অন্তর্গত, জয়ন্ত মাধৱ বৰা প্রণীত, 'অন্ধবিশ্বাস আৰু কুসংস্কাৰ' নামৰ প্রৱন্ধটিৰ পৰা উৎকলিত। ইয়াত অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ প্রদূষণৰ বিষয়ে কবলৈ বিচৰা হৈছে।

বায়ু, অবাঞ্ছিত বিশৃংখল শব্দ, মাটি, পানী এইবোৰৰ প্ৰদূষণে আমাৰ চৌপাশৰ পৰিৱেশ যেনেদৰে প্ৰদূষিত কৰি মানুহৰ সুস্থ জীৱন ধাৰণ প্ৰণালীত প্ৰতিকূলতাৰ সৃষ্টি কৰে, ঠিক সেইদৰে অন্ধবিশ্বাস আৰু কু-সংস্কাৰেও প্ৰেম, মমতা, মানৱতা আদি মানৱীয় প্ৰমূল্য সমূহক আঘাত কৰি, সুস্থ জীৱন-ধাৰণৰ ব্যৱস্থাটোক বিপর্যস্ত কৰি সভ্য সমাজখনক অশান্ত আৰু অস্থিৰতাৰে এখনক কলুষিত কৰে।

(খ) সংস্কাৰ এক জীৱন পদ্ধতি।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(খ) সংস্কাৰ এক জীৱন পদ্ধতি।

উত্তৰঃ উক্ত বাক্যশাৰী আমাৰ পাঠ্যপুথিৰ অন্তৰ্গত, জয়ন্ত মাধৱ বৰা প্ৰণীত, 'অন্ধবিশ্বাস আৰু কুসংস্কাৰ' নামৰ প্ৰবন্ধটিৰ পৰা উৎকলিত।

ইয়াত জীৱন পদ্ধতিত সংস্কাৰৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰা হৈছে।

যিবোৰ নীতি-নিয়ম, ব্যৱস্থা, পৰম্পৰা এখন সুস্থ সমাজৰ পৰিপন্থী, সমাজৰ অগ্ৰগতিত গতিৰোধক হৈ থিয় দিয়ে সেই বোৰেই কুসংস্কাৰ।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

সংস্কাৰ এক জীৱন পদ্ধতি। কিন্তু সেই সংস্কাৰে যদি মানুহৰ সভ্যতাক নতুন নতুন চিন্তাৰে উজ্জীৱীত কৰি সময়ৰ লগত দৌৰাৰ পৰিৱৰ্তে স্থিতাৱস্থাক বাহাল ৰাখে, তেন্তে সেই সংস্কাৰ আদৰণীয় নহয়। কুসংস্কাৰে মানুহৰ চিন্তাৰ দিগন্তক প্রসাৰিত নকৰে।



(গ) মানুহ শিক্ষিত হৈছে, কিন্তু সেই অনুপাতে হৈছে অধ্যয়নবিমুখ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(গ) মানুহ শিক্ষিত হৈছে, কিন্তু সেই অনুপাতে হৈছে অধ্যয়নবিমুখ।

উত্তৰঃ উক্ত বাক্যশাৰী আমাৰ পাঠ্যপুথিৰ অন্তর্গত, জয়ন্ত মাধৱ বৰা প্রণীত, 'অন্ধবিশ্বাস আৰু কুসংস্কাৰ' নামৰ প্রৱন্ধটিৰ পৰা উৎকলিত।

বর্তমান যুগত মানুহ শিক্ষিত হৈও অধ্যয়নবিমুখ হৈ পৰাৰ প্রসংগত উক্ত কথাষাৰ অৱতাৰণা কৰা হৈছে।

বর্তমান যুগৰ উন্মত্ত ভোগবাদে শিক্ষাক জ্ঞান আহৰণৰ আহিলাৰ পৰিৱর্তে এটা চাকৰি লাভ কৰাৰ অনিবার্য পথ হিচাপেহে পৰিণত কৰাইছে।

কৃচ্ছ সাধনাই হ'ল জীৱনৰ সর্বশ্রেষ্ঠ সাধনা। অথচ এই কৃচ্ছ সাধনাৰ পৰা আজিৰ মানুহক বহু দূৰলৈ আঁতৰাই নিছে ভোগ - বিলাস আৰু সস্তীয়া আনন্দ আহৰণৰ প্ৰৱণতাই। সমাজত বিশৃংখল পৰিৱেশে অমানৱীয় কার্যকলাপ সংঘটিত হোৱাৰ ক্ষেত্ৰত মানুহৰ অনিয়ন্ত্রিত আৱেগেই মূল কাৰণ । মানুহ শিক্ষিত হৈছে, কিন্তু সেই অনুপাতে অধ্যয়নবিমুখ হোৱাৰ বাবে আৱেগক নিয়ন্ত্রণ কৰিব নোৱাৰা হৈছে । গতিকে কেৱল শিক্ষিত হ'লেই নহ'ব, অধ্যয়নৰ প্ৰতিও আগ্ৰহী হ'ব লাগিব ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ভাষা-বিষয়ক :

৮। উদাহৰণটো চাই বাকীকেইটা কৰা :

উদাহৰণ : মানবীয় – অমানবীয়।

সজাগতা;
সামাজিক;
ৰাজনৈতিক;
সাংবিধানিক;
প্ৰচাৰ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ

মানৱীয় - অমানবীয়

সজাগতা - অসজাগতা

সামাজিক - অসামাজিক

ৰাজনৈতিক - অৰাজনৈতিক

সাংবিধানিক - অসাংবিধানিক

প্রচাৰ - অপপ্রচাৰ।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

৯। তলৰ শব্দবোৰৰ বিপৰীত অর্থ বুজোৱা শব্দবোৰ লিখা —



ইতিবাচক;	সৎ;	যোগাত্মক;
সক্ষম;	উচিত;	অভিশাপ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ

ইতিবাচক - নেতিবাচক

সৎ - অসৎ

যোগাত্মক - বিয়োগাত্মক

সক্ষম - অক্ষম

উচিত - অনুচিত

অভিশাপ - আশীৰ্বাদ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। পাঠত উল্লেখ থকা পাঁচোটা যুৰীয়া শব্দ বিচাৰি উলিওৱা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। পাঠত উল্লেখ থকা পাঁচোটা যুৰীয়া শব্দ বিচাৰি উলিওৱা।



উত্তৰঃ জাত-কুল, নীতি-নিয়ম, তন্ত্র-মন্ত্র, পূজা-পাতল, ভূত-প্রেত ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১১। বাক্য ৰচনা কৰা:

মৌলিক অধিকাৰ;

অমানবীয় কার্য;

প্রচাৰ মাধ্যম;

সজাগতা সভা;

স্বার্থান্বেষী লোক;

আদিম স্তৰ।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ

মৌলিক অধিকাৰঃ- প্ৰতিজন নাগৰিকৰে মৌলিক অধিকাৰ আছে।

অমানবীয় কার্যঃ- উৰাবাতৰিৰ বাবেই অমানবীয় কার্য সংঘটিত হয়।

প্রচাৰ মাধ্যমঃ- প্রচাৰ মাধ্যমৰ জৰিয়তে সমাজৰ পৰা অন্ধবিশ্বাস-কুসংস্কাৰ আদি আতঁৰ কৰিব পাৰি।

সজাগতা সভাঃ- অন্ধবিশ্বাসৰ বিৰুদ্ধে সজাগতা সভাৰ প্রয়োজন।

স্বার্থন্বেষী লোকঃ- স্বার্থন্বেষী লোক আত্মকেন্দ্রীক স্বভাৱৰ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

আদিম স্তৰঃ- আদিম স্তৰত মানুহে গছৰ ছাল পৰিধান কৰিছিল ।

